**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-11-2024 **Time :** 0755 Hrs

***Assamese Morning Bulletin***

অসমৰ পাঁচটা বিধানসভা সমষ্টিত কাইলৈ হ'বলগীয়া উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ কালি বিয়লি সামৰণি পৰে। নিৰ্বাচনী প্ৰচাৰৰ অন্তিম দিনটোত কালি শেষবাৰৰ বাবে ভোটদাতাৰ মন জয় কৰিবলৈ ৰাজনৈতিক দলসমূহে চেষ্টা চলোৱা পৰিলক্ষিত হয়।

এই উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলী আসনখনৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী প্ৰাৰ্থী আৰু বঙাইগাঁও আসনৰ বাবে ৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ১০ লাখতকৈও অধিক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

oooooooo

ডিব্ৰুগড় জিলাৰ দুলীয়াজানত অনুষ্ঠিত অসম গ্ৰন্থ মেলাৰ কালি সামৰণি পৰে। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থমেলাত প্ৰায় ৪০ লাখ টকাৰ কিতাপ বিক্ৰী হয়। সামৰণি অনুষ্ঠানত কালি শিক্ষামন্ত্ৰী তথা অসম প্ৰকাশন পৰিষদৰ অধ্যক্ষ ডাঃ ৰণোজ পেগু উপস্থিত থাকে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কিতাপ পঢ়াৰ আন্দোলনত সকলোকে চামিল হ'বলৈ আহ্বান জনায়। তেওঁ কয়, যে অধ্যয়নে অশান্ত মনক শান্ত কৰিব পাৰে। সেয়েহে সৰুৰেপৰা ল'ৰা-ছোৱালীক কিতাপৰ প্ৰতি আকৰ্ষিত কৰি পঠনৰ জৰিয়তে মানসিক ব্যায়ামৰ প্ৰশিক্ষণ দিয়া উচিত। ইফালে, সন্মানীয় অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট বিজ্ঞানী তথা লেখক ড° দীনেশ চন্দ্ৰ গোস্বামীয়ে কয়, যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসম গ্ৰন্থমেলা আয়োজন কৰাটো ৰাজ্যবাসীৰ বাবে আনন্দৰ বতৰা। ইয়াৰ জৰিয়তে গ্ৰন্থৰ প্ৰসাৰ হোৱাৰ লগতে বৌদ্ধিক পৰিৱেশ সমৃদ্ধ হৈছে।

oooooooo

আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস। এই উপলক্ষে কালি গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ চৌহদত থকা উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শনৰ অতিৰিক্ত সঞ্চালকপ্ৰধানৰ কাৰ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী কেন্দ্ৰসমূহে প্ৰচাৰ কৰা অনুষ্ঠানসমূহৰ প্ৰদৰ্শনৰ ওপৰত ভিত্তি কৰি বঁটা প্ৰদান কৰা হয়। আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰই প্ৰথম স্থান লাভ কৰাৰ লগতে আকাশবাণী ইম্ফলে দ্বিতীয় আৰু পাছিঘাটে তৃতীয় স্থান অৰ্জন কৰে। আকাশবাণী কেন্দ্ৰসমূহৰ অনুষ্ঠান কাৰ্যবাহী আৰু অন্যান্য বিষয়াসকলক তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবেও বঁটা প্ৰদান কৰা হয়। উত্তৰ-পূৰ্বাঞ্চলৰ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰসমূহৰ অতিৰিক্ত সঞ্চালকপ্ৰধান আশীষ ভাটনাগৰে বঁটাসমূহ প্ৰদান কৰে। অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত সহকাৰী সঞ্চালক অসীম কুমাৰ কাজিৰ লগতে অন্যান্য বিষয়াসকল উপস্থিত থাকে।

oooooooo

শিৱসাগৰ জিলাৰ হাফলুটিং বৰনামঘৰ আৰু কলা-কৃষ্টি কেন্দ্ৰ পৰিচালনা সমিতিৰ উদ্যোগত অহা ১৪ নৱেম্বৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া মহোৎসৱৰ আয়োজন কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ অনবদ্য সৃষ্টি ভাওনাৰ মাধ্যমেৰে আৰম্ভ হ'বলগীয়া ৭০ সংখ্যক মহোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি বৰনামঘৰৰ নৱনিৰ্মিত কীৰ্তন গৃহৰ আনুষ্ঠানিকভাৱে মুকলি কৰিব বুলি উদ্যোক্তাসকলে জনাইছে। ৰাসক্ৰীড়া মহোৎসৱৰ পাছত ১৬ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ অসম ভিত্তিত ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে জিলাখনৰ দিখৌমুখ মিলিত শিল্পী সমাজেও এইবাৰ আঞ্চলিক ভিত্তিত ৰাসৰ আয়োজন কৰিছে।

০০০০০০০

ব্ৰহ্মপুত্ৰ বোৰ্ডৰ উচ্চ ক্ষমতা সম্পন্ন পৰ্যালোচনা সমিতিৰ ত্ৰয়োদশ বৈঠক গুৱাহাটীত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ অধ্যক্ষতাত আজি অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে আজিৰ পৰা আৰম্ভ হ'বলগীয়া জাপান মাষ্টাৰ্ছ ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগতাত অংশগ্ৰহণ কৰিব। সিন্ধু কাইলৈ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত নিজৰ প্ৰথমখন খেলত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বি বুছানান অংবামৰুংফানৰ মুখামুখি হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত লক্ষ্য সেন মালয়েছিয়াৰ লিয়ন জুন হাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

একেদৰে মহিলাৰ ডাবলছত ভাৰতৰ গায়ত্ৰী গোপীছান্দ আৰু তৃষা জলীৰ যুটীটোৱে চীনা টাইপেইৰ শু য়িন হুই আৰু লীন ঝিহ য়ুনৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব। প্ৰতিযোগিতাৰ যোগ্যতা অৰ্জনকাৰী ৰাউণ্ডৰ খেলসমূহ আজি খেলোৱা হ'ব যদিও ভাৰতীয় খেলুৱৈসকল কাইলৈৰ পৰা প্ৰতিদ্বন্দ্বিতাত নামিব।

০০০০০০

**সমাপ্ত**